**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 31-10-2024
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***

**::::::::::::::::::::::::::::::::::::::::::**

১। দেশৰ বিভিন্ন প্ৰান্তৰ লগতে অসমতো আজি কালী পূজা আৰু পোহৰৰ উৎসৱ দীপাৱলী উদযাপন।

২। কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ ডিব্ৰুগড় নগৰ উন্নয়ন প্ৰাধিকৰণে প্ৰস্তুত কৰা ভিজন-২০৪৫ৰ চূড়ান্ত পৰিকল্পনা মুকলি।

৩। ৰাজ্যৰ ৫ টা সমষ্টিত অহা ১৩ নৱেম্বৰত হ'বলগীয়া উপ নিৰ্বাচনৰ বাবে মুঠ ৩৪ গৰাকী প্ৰাৰ্থীৰ প্ৰতিদ্বন্দ্বিতা।

৪। ৰাষ্ট্ৰীয় একতা দিৱস উপলক্ষে আজি সমগ্ৰ দেশত চৰ্দাৰ বল্লভ ভাই পেটেলক স্মৰণ। লৌহমানৱগৰাকীৰ প্ৰতিমূৰ্তিত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ পুষ্পাৰ্ঘ্য নিৱেদন।

*আৰু*

৫। উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ বাবে ৮ নৱেম্বৰৰ পৰা  অনলাইন প্ৰ-পত্ৰ পূৰণৰ প্ৰক্ৰিয়া আৰম্ভ।

দেশৰ বিভিন্ন প্ৰান্তৰ লগতে অসমতো আজি কালী পূজা আৰু পোহৰৰ উৎসৱ দীপাৱলী উদযাপন কৰা হ'ব। ইয়াকে লৈ ৰাজ্যৰ জনসাধাৰণৰ মাজত ব্যাপক উৎসাহ পৰিলক্ষিত হৈছে। গুৱাহাটী মহানগৰীৰ লগতে ৰাজ্যৰ প্ৰান্তে প্ৰান্তে বিক্ৰেতাসকলে অস্থায়ী বিপণী মুকলি কৰি দীপাৱলীৰ বাবে চাকি, ফটকাকে ধৰি সামগ্ৰীসমূহ বিক্ৰী কৰিছে। মহানগৰীৰ বাট-পথসমূহো আলোকমালাৰে সজ্জিত কৰি তোলা হৈছে। মৃৎশিল্পীসকলে প্ৰস্তুত কৰা মাটিৰ চাকিৰে বজাৰসমূহ ভৰি পৰিছে। ইয়াৰ লগতে বিভিন্ন বিজুলী বাতি তথা অন্যান্য প্ৰয়োজনীয় পূজাৰ উপকৰণ আৰু সা-সামগ্ৰীৰে দোকানসমূহ সজাই তোলা হৈছে। বাসগৃহসমূহো আটক ধুনীয়াকৈ আলোকমালাৰে সজ্জিত কৰা হৈছে। সমান্তৰালকৈ কালী পূজাৰ বাবে মন্দিৰসমূহত ব্যাপক প্ৰস্তুতি চলা পৰিলক্ষিত হৈছে।

ইপিনে, প্ৰদূষণ নিয়ন্ত্ৰণ বোৰ্ডে সকলোকে সেউজ দীপাৱলী উদযাপন কৰিবলৈ আহ্বান জনাইছে। দীপাৱলী আৰু ষট পূজাৰ সময়ছোৱাত ৰাজহুৱা শান্তি-শৃংখলা, সুৰক্ষা তথা শব্দ প্ৰদূষণ ৰোধ কৰাৰ স্বাৰ্থত তথা দেশৰ উচ্চতম ন্যায়ালয় আৰু পৰিৱেশ সুৰক্ষা নিয়ম ১৯৮৬ৰ প্ৰতি সন্মান জনাই ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতাৰ সংশ্লিষ্ট ধাৰাৰ অধীনত নগাঁও জিলাত নিষেধাজ্ঞা জাৰি কৰা হৈছে।  সেই অনুসৰি দীপাৱলীৰ নিশা ১০ বজালৈ আৰু ষট পূজাৰ দিনা পুৱা ৬ বজাৰ পৰা ১০ বজালৈকে নাগৰিকে ফটকা ফুটাব পাৰিব।

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আৰু উপ ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে দীপাৱলী উপলক্ষে দেশবাসীক ওলগ জনাইছে। ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে এটা শুভেচ্ছা বাৰ্তাত কৈছে যে, দীপাৱলী আনন্দ উৎসাহৰ উৎসৱ আৰু এই

উৎসৱে অজ্ঞানতাৰ বিৰুদ্ধে জ্ঞান আৰু অশুভ শক্তিৰ বিৰুদ্ধে শুভ শক্তিৰ বিজয়ৰ কথাকে সূচায়। তেওঁ কয় যে, দীপাৱলীৰ পৱিত্ৰ ক্ষণত আমি আমাৰ বিবেক প্ৰজ্জ্বলিত কৰাৰ লগতে  মৰম-ভালপোৱা, দয়া-কৰুণাৰ দৰে গুণবোৰ আকোঁৱালি লোৱা উচিত আৰু সামাজিক সম্প্ৰীতিক সুদৃঢ় কৰা উচিত।

উপ ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে তেওঁৰ শুভেচ্ছা বাৰ্তাত কৈছে যে, দীপাৱলী অকল ভাৰততে নহয় বৰং বিশ্বৰ বিভিন্ন প্ৰান্তত বাস কৰা প্ৰৱাসী ভাৰতীয়সকলেও এই উৎসৱ উৎসাহ-উদ্দীপনাৰে পালন কৰে।

ইফালে, মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই পোহৰৰ উৎসৱ দীপাৱলী আৰু কালী পূজা উপলক্ষে অসমবাসীলৈ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিছে। এটা বাৰ্তাত মুখ্যমন্ত্ৰীয়ে কয় যে এন্ধাৰ বিনাসী আগুৱাই যোৱা উৎসৱ দীপাৱলীৰ তাৎপৰ্যই সকলোকে প্ৰমূল্যৰ ভিত্তিত মানৱীয় সমাজ গঢ়িবলৈ প্ৰেৰণা যোগায়। এই উৎসৱে জনসাধাৰণৰ মাজত ভাতৃত্ববোধৰ বান্ধোন শক্তিশালী কৰাৰ লগতে শান্তি আৰু সমৃদ্ধি কঢ়িয়াই আনিব বুলি আশা প্ৰকাশ কৰে। এ আই ইউ ডি এফ দলেও অসমবাসীলৈ দীপাৱলীৰ শুভেচ্ছা জ্ঞাপন কৰিছে। দলৰ সভাপতি তথা প্ৰাক্তন সাংসদ বদৰুদ্দিন আজমলে এই উপলক্ষে দিয়া এটা বাৰ্তাত দীপান্বিতাৰ পোহৰে সমাজৰ পৰা হিংসা বিদ্বেষ, অসূয়া অপ্ৰীতিৰ ভাৰ আঁতৰাই সাতামপুৰুষীয়া সম্প্ৰীতিৰ এনাজৰী শক্তিশালী কৰিব বুলি আশা প্ৰকাশ কৰে।

ইপিনে, বৰপেটা জিলাৰ বিভিন্ন প্ৰান্তত আজিৰে পৰা কালী পূজা উদযাপন কৰা হৈছে। ধুবুৰীত দীপাৱলী আৰু কালী পূজা উপলক্ষে কালি ভাৰতীয় জনতা যুৱ মৰ্চাৰ উদ্যোগত বিনামূলীয়াকৈ মাটিৰ চাকি বিতৰণ কৰা হয়। লগতে, গোৱালপাৰা চহৰৰ সমীপৰ শোলমাৰীত আজিৰ পৰা তিনিদিনীয়াকৈ কালী পূজা অনুষ্ঠিত হৈছে।

০০০

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে তেজপুৰত কালি নিশা দীপাৱলী উপলক্ষে সৈনিকসকলক সম্বোধন কৰে। দীপাৱলীৰ শুভেচ্ছা জনাই মন্ত্ৰীগৰাকীয়ে কয় -

**ভইচ কাষ্ট**

মন্ত্ৰীগৰাকীয়ে কালিৰ অনুষ্ঠানত কয় যে নিৰন্তৰ সামৰিক আৰু কূটনৈতিক প্ৰচেষ্টাৰ বাবেই ভাৰত আৰু চীন প্ৰকৃত নিয়ন্ত্ৰণ ৰেখাৰ কাষৰীয়া কেতবোৰ অঞ্চলত পৰিস্থিতি স্বাভাৱিক কৰি তোলাৰ বাবে সহমতত উপনীত হৈছে। তেওঁ তেজপুৰত বড়াখানাত অংশগ্ৰহণ কৰি কয় যে, ভাৰতে সদায় চুবুৰীয়া ৰাষ্ট্ৰসমূহৰ সৈতে সৌহাদ্যপূৰ্ণ সম্পৰ্ক বৰ্তাই ৰখাত বিশ্বাস কৰে। চৰকাৰে দেশৰ সেনা বাহিনীৰ স্বাৰ্থৰ কথা বিবেচনা কৰি শান্তি বাহাল কৰাৰ এই প্ৰক্ৰিয়াত আৱশ্যকীয় পদক্ষেপ ল'ব বুলি তেওঁ সজোৰে প্ৰকাশ কৰে। কঠিন পৰিস্থিতিত সীমান্তত সেৱা আগবঢ়াই অহা সৈনিকসকলৰ দৃঢ় প্ৰতিশ্ৰুতিবদ্ধতা অসাধাৰণ ভাৱনা আৰু অসীম সাহসৰ প্ৰশংসা কৰি মন্ত্ৰীগৰাকীয়ে সৈনিকসকলক যুৱ প্ৰজন্মৰ প্ৰকৃত অনুপ্ৰেৰণাৰ উৎস বুলি অভিহিত কৰে। অসীম সাহস আৰু নিষ্টাৰে মাতৃভূমিৰ প্ৰতি সেৱা আগবঢ়োৱাৰ সৈনিকসকলৰ প্ৰতি দেশ চিৰ ঋণী হৈ ৰ'ব বুলি তেওঁ উল্লেখ কৰে। প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীয়ে কয় যে, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ দূৰদৰ্শী নেতৃত্ব আৰু সশস্ত্ৰ বাহিনীৰ শক্তিৰ বাবেই গোলকীয় পৰ্য্যায়ত দেশৰ মৰ্যাদা ক্ৰমাৎ বৃদ্ধি পাইছে। তেওঁ লগতে সৈনিকসকলক সতৰ্ক হৈ থাকিবলৈ আৰু সদা পৰিৱৰ্তনশীল গোলকীয় সুৰক্ষা প্ৰেক্ষাপটৰ বাবে উদ্ভৱ হ'ব পৰা যিকোনো প্ৰত্যাহ্বানৰ বাবে সাজু হৈ থাকিবলৈ আহ্বান জনায়।

০০০

কেন্দ্ৰীয় জাহাজ পৰিবহণ, বন্দৰ আৰু জল পথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে ডিব্ৰুগড় নগৰ উন্নয়ন প্ৰাধিকৰণে প্ৰস্তুত কৰা ভিজন-২০৪৫ৰ চূড়ান্ত পৰিকল্পনা মুকলি কৰি ২০৪৫ চনৰ ভিতৰত ডিব্ৰুগড় চহৰখন প্ৰদূষণমুক্ত চহৰ হ'ব বুলি আশা প্ৰকাশ কৰে। তেওঁ কয় যে, ডিব্ৰুগড়ৰ বহনক্ষম উন্নয়নৰ বাবে প্ৰচেষ্টা চলোৱাৰ সময়ত ইয়াৰ চহকী ঐতিহ্য আৰু ইতিহাসৰ কথা মনত ৰাখি আগবঢ়া উচিত। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত ২০৪৭ চনৰ ভিতৰত দেশবাসীয়ে আত্মনিৰ্ভৰ ভাৰতক বাস্তৱায়িত কৰাৰ দিশত আগবঢ়া বুলি উল্লেখ কৰি শ্ৰী সোণোৱালে অৰ্থনৈতিক উন্নয়নৰ সম্ভাৱনা থকা ডিব্ৰুগড়েও আধুনিক, স্বাবলম্বী আৰু বহনক্ষম নগৰীয়া উন্নয়নৰ কেন্দ্ৰ হিচাপে পৰিগণিত হোৱাৰ দিশত কাম কৰি আছে বুলি কয়।

**বাইট (সৰ্বানন্দ সোণোৱাল)**

শ্ৰী সোণোৱালে ভৱিষ্যতে চহৰখনৰ সম্প্ৰসাৰণ হোৱাৰ সম্ভাৱনা আছে বুলি উল্লেখ কৰি কয় যে, নদী আৰু জলভাগো এই নগৰত অন্তৰ্ভুক্ত হ'ব। চহৰখনৰ উন্নয়নৰ পৰিকল্পনাত পৰিৱেশ ৰক্ষাৰ বাবে সম্ভৱপৰ সকলো ব্যৱস্থা গ্ৰহণ কৰা উচিত বুলিও তেওঁ উল্লেখ কৰে। আনহাতে কৃত্ৰিম বান ৰোধ কৰাৰ বাবে পৰিকল্পিত ব্যৱস্থা গ্ৰহণ কৰা ওপৰটো তেওঁ গুৰুত্ব আৰোপ কৰে। শ্ৰী সোণোৱালে লগতে প্ৰদূষণ ৰোধ কৰাৰ ক্ষেত্ৰত নৰেন্দ্ৰ মোদী চৰকাৰে আৰম্ভ কৰা ৱেষ্ট টু ৱেল্থ বা ৱেষ্ট টু এনাৰ্জি অৰ্থাৎ পেলনীয়া সামগ্ৰীক সম্পত্তি অথবা শক্তিলৈ পৰিণত কৰাৰ দৰে ব্যৱস্থা গ্ৰহণ কৰাৰ বিষয়েও তেওঁ কয়। এই সভাত সাংসদ ৰামেশ্বৰী তেলী, ডিব্ৰুগড়ৰ বিধায়ক প্ৰশান্ত ফুকনে আন বহুগৰাকী লোক উপস্থিত থাকে।

০০০

ৰাজ্যৰ ৫ টা সমষ্টিত অহা ১৩ নৱেম্বৰত হবলগীয়া উপ নিৰ্বাচনৰ বাবে মুঠ ৩৪ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দিতা কৰাটো নিশ্চিত হৈছে। কালি মনোনয়ন প্ৰত্যাহাৰৰ অন্তিম দিনা ধলাই বিধানসভা সমষ্টিৰ এজন নিৰ্দলীয় প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ প্ৰত্যাহাৰ কৰাৰ ফলত সমাগত উপ-নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিবলগীয়া মুঠ প্ৰাৰ্থীৰ সংখ্যা ৩৪ গৰাকী হয়। উপ-নিৰ্বাচন অনুষ্ঠিত হ'বলগীয়া ৰাজ্যৰ ৫টা বিধানসভা সমষ্টিৰ ভিতৰত ধলাইত ৮ জন, ছিদলীত ৩ জন, বঙাইগাঁৱত ৮ জন, বিহালীত ৪ জন আৰু চামগুৰি সমষ্টিত ১১ জন প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা কৰিব।

ইফালে, উপ-নিৰ্বাচনৰ বাবে প্ৰতিটো ৰাজনৈতিক দলে প্ৰচাৰ অভিযান অব্যাহত ৰাখিছে। পাঁচোটা সমষ্টিতে শাসকীয় বিজেপি আৰু বিৰোধী দল কংগ্ৰেছৰ লগতে আম আদমী পাৰ্টীয়ে তীব্ৰ প্ৰচাৰ অভিযান চলায়। চামগুৰি সমষ্টিত বিজেপি প্ৰাৰ্থী দিপ্লুৰঞ্জন শৰ্মাৰ সমৰ্থনত মন্ত্ৰী বিমল বৰাই কেইবাখনো এখন নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰে। চিৰাং জিলাৰ ছিদলী বিধানসভা সমষ্টিত বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী নিৰ্মল কুমাৰ ব্ৰহ্মৰ সমৰ্থনত কালি প্ৰচাৰ চলোৱা হয়।

০০০

আজি ৰাষ্ট্ৰীয় একতা দিৱস। স্বাধীনতা সংগ্ৰামত অগ্ৰণী ভূমিকা গ্ৰহণ কৰা আৰু দেশৰ প্ৰথম উপ প্ৰধানমন্ত্ৰী তথা গৃহমন্ত্ৰী চৰ্দাৰ বল্লভ ভাই পেটেলৰ জন্মবাৰ্ষিকীৰ লগত সংগতি ৰাখি প্ৰতি বছৰে ৩১ অক্টোবৰত এই দিৱস পালন কৰা হয়। ৰাষ্ট্ৰীয় একতা দিৱসে  দেশীয় ৰাজ্যসমূহক একত্ৰিত কৰি এখন ৰাষ্ট্ৰ গঢ়ি তোলাৰ লগতে দেশৰ জনসাধাৰণৰ মাজত একতাৰ ভাৱ সুদৃঢ় কৰাৰ ক্ষেত্ৰত চৰ্দাৰ বল্লভ ভাই পেটেলৰ প্ৰচেষ্টাৰ কথা সোঁৱৰাই দিয়ে।

এই দিনটোত অসাধাৰণ নেতৃত্ব আৰু ৰাষ্ট্ৰীয় একতাৰ প্ৰতি প্ৰতিশ্ৰুতিবদ্ধ চৰ্দাৰ বল্লভা ভাই পেটেলক ভাৰতৰ লৌহ মানৱ হিচাপে স্মৰণ কৰা হয়।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে লৌহ মানৱ চৰ্দাৰ বল্লভ ভাই পেটেলৰ জন্মবাৰ্ষিকী উপলক্ষে আজি গুজৰাটৰ কেৱড়িয়াৰ একতা নগৰৰ একতাৰ মূৰ্তিত চৰ্দাৰ বল্লভ ভাই পেটেললৈ পুষ্পাৰ্ঘ্য নিৱেদন কৰিব। ইয়াৰ লগে ৰাষ্ট্ৰীয় একতা দিৱস সমাৰোহ আৰম্ভ হ'ব। প্ৰধানমন্ত্ৰীয়ে একতা দিৱসত সংকল্প পাঠ কৰোৱাব। তেওঁ লগতে একতা দিৱসৰ কুচ-কাৱাজো প্ৰত্যক্ষ কৰিব। এই কুচ-কাৱাজত কেন্দ্ৰীয় সশস্ত্ৰ আৰক্ষী বাহিনী, এন চি চি, ৰাষ্ট্ৰীয় সুৰক্ষা গাৰ্ড, সীমান্ত সুৰক্ষা বাহিনী আৰু কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষীৰ জোৱানে অংশ ল'ব। ভাৰতীয় বায়ুসেনাৰ সূৰ্য কিৰণ গোটে বিমানেৰে আকাশত ক্ৰীড়া কৌশল প্ৰদৰ্শন কৰিব।

০০০

মৰিগাঁও জিলাত সমগ্ৰ শিক্ষাৰ অধীনত ৪৪৮খন বিদ্যালয়ত ৰাণী লক্ষ্মীবাঈ আত্মৰক্ষা প্ৰশিক্ষণ কাৰ্যসূচী অনুষ্ঠিত হৈছে। ছাত্ৰীসকলৰ নিৰাপত্তা সুনিশ্চিত কৰাৰ লগতে তেওঁলোকক আত্মবিশ্বাসী কৰি তুলিবলৈ এই কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। তিনিমহীয়া এই প্ৰশিক্ষণ কাৰ্যসূচী সন্দৰ্ভত মৰিগাঁও জিলাৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক অপূৰ্ব ঠাকুৰীয়াই এইদৰে কয়-

**বাইট (অপূৰ্ব ঠাকুৰীয়া)**

০০০

উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত পৰিক্ষাৰ্থীসকলৰ বাবে অনলাইন প্ৰ-পত্ৰ পূৰণৰ প্ৰক্ৰিয়া অহা ৮ নৱেম্বৰৰ পৰা আৰম্ভ হ'ব। এই প্ৰক্ৰিয়া ৩০ নৱেম্বৰত অন্ত পৰিব। অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদে অহা বছৰৰ ফেব্ৰুৱাৰী-মাৰ্চ মাহত উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষা অনুষ্ঠিত কৰাৰ পৰিকল্পনা কৰিছে। সেই অনুসৰি প্ৰ-পত্ৰ পূৰণৰ প্ৰক্ৰিয়া আৰম্ভ কৰাৰ লগতে এই সংক্ৰান্তত সংশ্লিষ্ট প'ৰ্টেলৰ বিষয়ে নিৰ্দিষ্ট সময়ত পৰীক্ষাৰ্থীসকলক অৱগত কৰা হ'ব বুলি পৰিষদে এটা নিৰ্দেশনাযোগে প্ৰকাশ কৰিছে। উল্লেখযোগ্য যে প্ৰ-পত্ৰ পূৰণৰ বাবে কোনোধৰণৰ অফলাইন ব্যৱস্থা নাথাকিব বুলি পৰিষদে প্ৰকাশ কৰিছে।

০০০

২০০৮ চনৰ ৩০ অক্টোবৰত গুৱাহাটী, কোকৰাঝাৰ, বঙাইগাঁও আৰু বৰপেটা ৰোডত উগ্ৰপন্থীৰ বোমা বিস্ফোৰণত নিহতসকলৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰাৰ বাতৰি দৈনিক অসম কাকতে **অভিশপ্ত ৩০ অক্টোবৰ, নিহতলৈ শ্ৰদ্ধাঞ্জলি বিভিন্ন সংগঠনৰ** শিৰোনামেৰে প্ৰথম পৃষ্ঠাত স্থান দিছে।

দীঘলীপুখুৰী পাৰত থকা গছ কাটি উৰণ সেতু নিৰ্মাণৰ বাবে চৰকাৰে গ্ৰহণ কৰা পদক্ষেপৰ বিৰুদ্ধে বিভিন্ন দল-সংগঠন অনুষ্ঠানে প্ৰতিবাদ সাব্যস্ত কৰাৰ পাছত ৰাজ্য চৰকাৰে দীঘলীপুখুৰীপাৰৰ কোনো গছ নকটাকৈ অন্য বিকল্প পথত উৰণ সেতু শেষাংশ নিৰ্মাণৰ বাবে লোকনিৰ্মাণ বিভাগক এসপ্তাহৰ ভিতৰত প্ৰতিবেদন দাখিল কৰিবলৈ নিৰ্দেশ দিয়া বুলি এটা বাতৰি নিয়মীয়া বাৰ্তা কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে। বাতৰিটোক দি আছাম ট্ৰিবিউন আৰু দা ছেণ্টিনেল কাকতেও প্ৰথম পৃষ্ঠাত মুখ্য বাতৰিৰ স্থান দিছে।

ৰামলালাৰ প্ৰাণ প্ৰতিষ্ঠাৰ পাছত অযোধ্যাত প্ৰথমটো দীপাৱলী উদযাপনৰ বাতৰিক অসমীয়া প্ৰতিদিন কাকতে ২৮ লাখ প্ৰদীপেৰে সৰযুৰ পাৰত বিশ্ব অভিলেখ গঢ়াৰ প্ৰস্তুতি শিৰোনামেৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। দীপাৱলীৰ বাতৰিক অসমীয়া খবৰ কাকতেও প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

অনলাইন ট্ৰেডিং কেলেংকাৰিৰ সৈতে জড়িত ডি বি ষ্টকৰ স্বত্বাধিকাৰী দীপাংকৰ বৰ্মনক ৭ দিনৰ আৰক্ষী জিম্মালৈ প্ৰেৰণ কৰা বাতৰিক আমাৰ অসম কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

ভাৰত-চীনৰ মাজত শত্ৰুতাৰ অৱসানৰ পদক্ষেপ হিচাপে পূব লাডাখৰ ডেপছাং আৰু ডেমচোকত দুয়ো দেশৰ সৈন্য প্ৰত্যাহাৰ কৰাৰ লগতে দীপাৱলী উপলক্ষে উভয় দেশৰ সৈন্যিক সকলে পৰস্পৰে মিঠাই বিতৰণ কৰা বাতৰিত দৈনিক জনমভূমি কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

সামাজিক মাধ্যমৰ একাংশ ভুৱা একাউণ্টৰ পৰা অজ্ঞাতলোকে বিমানত বোমা থকাৰ ভিত্তিহীন খবৰ বিয়পাই বোমাতংকৰ সৃষ্টি কৰা দুষ্টচক্ৰৰ বিৰুদ্ধে বিমান পৰিবহণ মন্ত্ৰ্যালয়ৰ অধীনৰ অসামৰিক বিমান পৰিবহণ ব্যুৰই নিৰ্দেশনা জাৰি কৰা বাতৰিক দৈনিক অগ্ৰদূত প্ৰথম পৃষ্ঠাত স্থান দিছে।

আজি প্ৰকাশিত কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ অন্যান্য বাতৰিৰ ভিতৰত আছে - শংকৰ সংঘৰ অধিৱেশনৰ প্ৰস্তুতি, ১৭ নৱেম্বৰত লাইখুঁটা স্থাপন,

এয়াই আছিল আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ বাতৰিত চমু অৱলোকন।

০০০

ঃঃ সমাপ্ত ঃঃ